অধ্যায় ১১ ঃ শংকৰী যুগৰ বৈষ্ণৱ সাহিত্য — ২

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অনন্ত কন্দলি
১১.৪ ৰাম সৰস্বতী
১১.৫ ভট্টদেৱ (অসমীয়া গদ্যৰ উদ্ভৱ)
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ান
১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শংকৰী যুগৰ বৈষ্ণৱ কবি অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ সাহিত্যকৃতি সম্পর্কে জ্ঞান আহৰণ কৰিব
- অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ কেনেদৰে, কাৰ হাতত হ'ল সেই বিষয়ে জ্ঞাত হ'ব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি অসমীয়া সাহিত্যৰ 'স্বর্ণযুগ' বুলি অভিহিত কৰা শংকৰী যুগৰ পটভূমি, কাব্য, অংকীয়া নাট আৰু বৰগীত সম্পর্কে কিছু কথা অধ্যয়ন কৰিলোঁ। লগতে যি গৰাকী ব্যক্তিৰ নামেৰে যুগটোক নামকৰণ কৰা হৈছে— শংকৰদেৱ আৰু তেৰাৰ প্রিয় শিষ্য মাধৱদেৱৰ সাহিত্যকৃতি সম্পর্কে অধ্যয়ন কৰিলোঁ। এতিয়া এইটো অধ্যায়ত শংকৰী যুগৰে আন দুগৰাকী কবি অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ কাব্যকৃতি সম্পর্কে অধ্যয়ন কৰিম। আনহাতে এই যুগতেই অসমীয়া গদ্য সাহিত্যৰ আৰম্ভ হয় ভট্টদেৱৰ হাতত। সেই বিষয়েও কিছু কথা এই অধ্যায়টিত সন্নিৱিষ্ট হৈছে।

১১.৩ অনন্ত কন্দলি

মহাপুৰুষ দুজনাৰ পাছতে তেৰাসবৰ অনুগামীসকলৰ ভিতৰত অনন্ত কন্দলি অন্যতম। অনন্ত কন্দলিৰ ঘৰ হাজোত। বাপেক ৰত্ন পাঠক হাজোৰ মাধৱ দেৱালয়ৰ পাঠক আছিল। ৰত্ন

পাঠকৰ পুতেক হৰিচৰণ; হৰিচৰণেই তর্কশাস্ত্রত পাণ্ডিত্য লাভ কৰি অনন্ত কন্দলি নাম পায়। এওঁ পাছত চন্দ্রভাৰতী, ভাগৱতাচার্য, ভাগৱত ভট্টাচার্য আদি বিভূষণেৰেও ভূষিত হয়। অনন্ত কন্দলিৰ অনুবাদ পুথি *ভাগৱতৰ* ষষ্ঠ আৰু দশম স্কন্ধত (মধ্য আৰু শেষ)ত তেওঁৰ জন্মসম্পর্কে উল্লেখ আছে এনেদৰে—

"ৰতন পাঠক নামে পণ্ডিত পৰম।
ভাগৱত শাস্ত্রে আছিল বিক্রম।।
শ্রীহৰিচৰণ নামে তাহান সন্ততি।
ব্যাকৰণ পঢ়ি নাম শ্রীচন্দ্র ভাৰতী।।
তর্কত লভিলা নাম অনন্ত কন্দলি।
ভাগৱত আচার্য্য পদবী ভৈলা বলী।।
ভাগৱত ভট্টাচার্য্য বোলে আর্য্যজন।
তেহো বিৰচিলা পদ কৃষ্ণৰ চৰণে।।" (শেষ দশম)

অপ্রমাদী কবি মাধৱ কন্দলি আৰু মহাপুৰুষ শঙ্কৰদেৱৰ প্রভাৱপুষ্ট অনন্ত কন্দলিৰ জীৱনকাল সম্পর্কে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে যদিও সত্যেন্দ্রনাথ শর্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্রন্থত এনেদৰে উল্লেখ পোৱা যায়— অনন্ত কন্দলি ষোড়শ শতাব্দীৰ তৃতীয় বা চতুর্থ দশকৰ ভিতৰত অর্থাৎ ১৫২০-১৫৩০ খ্রীষ্টাব্দৰ ভিতৰত সম্ভৱতঃ জন্মগ্রহণ কৰি ষোড়শ শতাব্দীৰ শেষ ভাগলৈকে জীৱিত আছিল।

অনন্ত কন্দলিয়ে পাঁচখন কাব্য আৰু এখন নাট ৰচনা কৰে। কাব্যকেইখন হ'ল— *ৰামায়ণ, কুমৰ-হৰণ, বৃত্রাসুৰ-বধ, মধ্য আৰু শেষ দশম* আৰু *মহীৰাৱণ বধ কাব্য*। আনহাতে, তেওঁ ৰচনা কৰা একমাত্র নাটখনি হ'ল— *সীতাৰ পাতাল প্রৱেশ*। কন্দলিয়ে ৰচনা কৰা তত্ত্বমূলক গ্রন্থ হ'ল *ভক্তি-সাধন* বা *বৈষ্ণৱামৃত* আৰু *জন্ম ৰহস্য*; ঠিক সেইদৰে স্মৃতি শাস্ত্র হ'ল *নীতিৰত্ন* আৰু *কল্পদ্রুম*।

অসমীয়া ভাষাত প্রথমে *ৰামায়ণ* ৰচনা কৰে মাধৱ কন্দলিয়ে। মাধৱ কন্দলিৰ পাছত *ৰামায়ণ* ৰচনা কৰা অসমীয়া কবিগৰাকী হ'ল অনন্ত কন্দলি। *ৰামায়ণত* সাতটা কাণ্ড আছে যদিও মাধৱ কন্দলীৰ দৰে অনন্ত কন্দলিয়েও পাঁচটা কাণ্ডহে ৰচনা কৰিছে। আদি আৰু উত্তৰাকাণ্ড ৰচনা কৰা নাই। মাধৱ কন্দলিৰ *ৰামায়ণৰ* কথা আৰু বর্ণনাকে কিছু পৰিৱর্তন কৰি, বিশেষকৈ ভক্তিৰ প্রাধান্য স্থাপন কৰি অনন্ত কন্দলিয়ে *ৰামায়ণ* ৰচনা কৰে। সেইবাবে এইখনক *ৰামায়ণৰ* 'বৈষ্ণৱ সংস্কৰণ' বুলিও ক'ব পাৰি। প্রাক্-শঙ্কৰী যুগৰ অপ্রমাদী কবিৰ দ্বাৰা অনূদিত *ৰামায়ণ* থকা স্বত্বেও অনন্ত কন্দলিয়ে পুনৰ কিয় দুঃসাহস কৰি *ৰামায়ণ* অনুবাদ কৰিব লগা হ'ল সেই সম্পর্কে এইদৰে কোৱা যায়—

মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ আকুল কৰে মন।।
ৰামৰ সামান্য সন্ত কথা যথাৱত।

ভজনীয় গুণ যত নভৈল বেকত।।
এতেকে যতন কৰো ভকতিক পদে।
নুবুলিবা নিন্দা সদা শুনা সভাসদে।।

এটা কথা ঠিক, অনন্ত কন্দলিয়ে *ৰামায়ণ*ত মাধৱ কন্দলিৰ দৰে লৌকিক আৰু নৈসৰ্গিক বৰ্ণনা, শব্দচয়ন, অলঙ্কাৰ আদি প্ৰয়োগত বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰিব নোৱাৰিলেও ভক্তি প্ৰকাশত সফল হৈছে বুলিব পাৰি।

কুমৰ হ�ৰণ অনন্ত কন্দলি প্ৰণীত প্ৰথম কাব্য। অৱশ্যে কবিয়ে এই কাব্যখন *শ্ৰীচন্দ্ৰ ভাৰতী* নামেৰে ৰচনা কৰা। চন্দ্ৰ ভাৰতী অনন্ত কন্দলিৰ ডেকা কালৰ নাম। *কুমৰ হ�ৰণ* কাব্যখনি কবিয়ে ডেকা কালত ৰচনা কৰা বাবেই তৰুণ কবিৰ চপলতা, সৌন্দৰ্য্যপ্ৰিয়তা আৰু আবেগপ্ৰৱণ মনৰ চিনাকি পোৱা যায়। *কুমাৰ হৰণৰ* কাহিনী *বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ* আৰু *হৰিবংশত* পোৱা যায় যদিও কবিয়ে *ভাগৱত পুৰাণ* আৰু *হৰিবংশ*ৰ পৰাহে কথাবস্তু গ্ৰহণ কৰিছে। অৰ্থাৎ চন্দ্ৰ ভাৰতীৰ *কুমৰ হৰণ*ৰ মূল উৎস গ্ৰন্থ *ভাগৱত পুৰাণ* আৰু *হৰিবংশ*। মূলৰ লগত সঙ্গতি ৰাখি কাব্যখনৰ কাহিনী বিন্যাস, চৰিত্ৰ সৃষ্টি আৰু পৰিবেশ সংৰচনাত কবিয়ে মৌলিকতাৰ পৰিচয় দাঙি ধৰিছে। ফলত কাব্যখন ৰসোত্তীৰ্ণ হৈছে। কুজী বুঢ়ীৰ চৰিত্ৰ সৃষ্টি আৰু কাৰ্য্যাৱলী কবিৰ স্বকীয় উদ্ভাৱন। মূলত এই বিষয়ে উল্লেখ পোৱা নাযায়। ঊষা-অনিৰুদ্ধৰ প্ৰেম, বিৱাহ আৰু হৰিহৰৰ যুদ্ধ বৰ্ণনাযুক্ত *কুমৰ হৰণ* কাব্যৰ বিষয়বস্তু গ্ৰহণ, ৰচনা কৌশল, তথা আদৰ্শগত দিশত শঙ্কৰদেৱৰ ৰচনাৰ প্ৰভাৱ উজ্বল ৰূপত অনুভূত। কাব্যখনৰ ৰস সৃষ্টিতো কবি সফল হৈছে। শৃঙ্গাৰ, বীৰ, হাস্য, কৰুণ, অদ্ভুত, বীভৎস আদি ৰসেৰে পূৰ্ণ *কুমাৰ হৰণ*ত শৃঙ্গাৰ আৰু বীৰ ৰসে প্ৰাধান্য লাভ কৰিছে। কিন্তু শেষলৈ শৃঙ্গাৰ ৰস ভক্তি ৰসলৈ পৰ্যবসিত হৈছে। অসমীয়া বৈষ্ণৱ সাহিত্যত *কুমাৰ হৰণ* কাব্য ৰূপে অতি জনপ্ৰিয়।

অনন্ত কন্দলিয়ে ৰচনা কৰা আন এখন কাব্য *বৃত্ৰাসুৰ বধ*।এই কাব্যখনৰ আধাৰ গ্ৰন্থ হ'ল *ভাগৱত*ৰ ষষ্ঠ স্কন্ধ। শ্ৰীচন্দ্ৰ ভাৰতীৰ নামেৰে ভণিতা পেলোৱা *বৃত্ৰাসুৰ বধ* কাহিনী বৰ্ণনাত মূলৰ পৰা আঁতৰি যোৱা নাই যদিও পৰিৱেশ পৰিস্থিতি নিৰূপণত যৎসামান্য স্বকীয় সৃষ্টিৰ ৰহণ সানিছে। কাব্যখনৰ ভাষা প্ৰাঞ্জল আৰু সৰস। দুঃশক্তিৰে বলীয়ান বৃত্ৰাসুৰক দেৱৰাজ ইন্দ্ৰই দধীচি মুনিৰ অস্থিৰ দ্বাৰা নিৰ্মাণ কৰা ব্ৰজৰ দ্বাৰা কেনেকৈ বধ কৰিলে তাকেই কাব্যখনত বৰ্ণোৱা হৈছে। বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ *বৃত্ৰাসুৰ বধ*ৰ আন এটা মনকৰিবলগীয়া দিশ। কাব্যখন পয়াৰ ছন্দত ৰচিত। *ভাগৱত*ৰ কাহিনীৰ দৰে এই কাব্যখনিৰ বৰ্ণনাও প্ৰাঞ্জল আৰু সৰস। *মহীৰাৱণ বধ* কাব্যৰ কাহিনীভাগ *ৰামায়ণ*ৰপৰা লোৱা হৈছে। ৰাৱণৰ পুতেক মহীৰাৱণে ৰাম-লক্ষ্মণ শুই থাকোঁতে হৰণ কৰি নি পাতালত কালী মূৰ্তিৰ আগত বলি দিবলৈ ধৰোঁতে হনুমানে মহীৰাৱণক বধ কৰি তেওঁলোকক শেষ মুহূৰ্তত ৰক্ষা কৰে। এই কাহিনীভাগকে *মহীৰাৱণ বধ* কাব্যত বৰ্ণনা কৰা হৈছে।

অনন্ত কন্দলিয়ে পাঁচখনকৈ কাব্য ৰচনা কৰিছে যদিও তেওঁৰ অক্ষয় কীৰ্তি হ'ল *মধ্য আৰু শেষ দশম*। *ভাগৱত*ৰ দশম স্কন্ধৰ আদি ভাগ শংকৰদেৱে ৰচনা কৰিছে; বাকী দুটা অৰ্থাৎ

মধ্য আৰু শেষ দশম ৰচনা কৰিছে অনন্ত কন্দলিয়ে। দশম ৰচনাৰ ক্ষেত্রত কন্দলিয়ে শংকৰদেৱৰ ৰীতিকে অনুসৰণ কৰিছে। বিশেষকৈ প্রতিটো আখ্যানৰ শেষত শ্রীকৃষ্ণৰ মাহাত্ম্য আৰু ভক্তিৰসৰ প্রবাহ অক্ষুণ্ণ ৰাখিছে। কন্দলিৰ পাণ্ডিত্য, দার্শনিক জ্ঞান আৰু কঠিন বস্তু প্রাঞ্জলভাৱে অনুবাদ কৰিব পৰা ক্ষমতাৰ পৰিচয় এই কাব্যখনিত পোৱা যায়।

অনন্ত কন্দলিয়ে ৰচনা কৰা একমাত্র নাটখনি হ'ল— *সীতাৰ পাতাল প্রৱেশ*। ৰামায়ণৰ কাহিনীৰ অন্তর্গত বিষয়বস্তুৰ আধাৰত নাটখনি ৰচনা কৰা হৈছে। অংকীয়া নাট হিচাপে এইখন সর্বাংগ সুন্দৰ নাট বুলি দেবেন্দ্রনাথ ৰেজবৰুৱাই মত পোষণ কৰিছে। লগতে তেওঁ কৈছে যে *সীতাৰ পাতাল প্রৱেশ* নাটখনি শংকৰদেৱৰ নাটতকৈ কোনোগুণে কম নহয়।

অনন্ত কন্দলিৰ ভণিতা থকা দুখন ধর্মতত্ত্ব পুথি হ'ল— *ভক্তি-সাধন* বা *বৈষ্ণৱামৃত* আৰু *জন্মৰহস্য* বা *জীৱতুতি*। দুয়োখন গ্রন্থ মূলতঃ ভক্তি ধর্ম আৰু দর্শন সম্পকীয়। অনন্ত কন্দলিয়ে সঙ্কলন কৰা দুখন স্মৃতিশাস্ত্র হ'ল *নীতিৰত্ন* আৰু *কল্পদ্রুম*।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অনন্ত কন্দলিয়ে ৰচনা কৰা ধর্মতত্ত্বমূলক পুথি দুখনৰ নাম কি?

.....

প্রশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক—

(ক) অনন্ত কন্দলিয়ে ..... কাব্য আৰু এখন নাট ৰচনা কৰিছিল।

(খ) অনন্ত কন্দলিক .....বুলি অভিহিত কৰা হয়।

১১.৪ ৰাম সৰস্বতী

শঙ্কৰী যুগৰ আন এগৰাকী স্বনামধন্য কবি হ'ল ৰাম সৰস্বতী। এইগৰাকী কবিৰ যি আত্মপৰিচয়মূলক বিৱৰণ পোৱা যায় তাৰপৰা জানিব পাৰি যে ৰাম সৰস্বতী কামৰূপৰ পচৰীয়া (কোনো কোনো পুথিত চমৰীয়া) নামৰ গাঁৱত জন্মগ্রহণ কৰিছিল। এওঁৰ পিতৃৰ নাম আছিল ভীমসেন কবিচূড়ামণি। ভীমসেনৰ দুগৰাকী পুতেক— কবিচন্দ্র আৰু অনিৰুদ্ধ। এই অনিৰুদ্ধই পাছত ৰাম সৰস্বতী নাম পায়। ৰাম সৰস্বতীৰ পৰিচয় সন্দর্ভত তেওঁ অনুবাদ কৰা *মহাভাৰতৰ* অসমীয়া পাঠত পচৰীয়া, চমৰীয়া, চিনকোনো, পাটচৌৰা আদি ঠাইৰ নাম উল্লেখ আছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ৰাম সৰস্বতী সম্ভৱতঃ কোনো এক নির্দিষ্ট ঠাইত থকা নাছিল। সেইবাবেই বিভিন্ন ঠাইৰ নাম উল্লেখ আছে। *মহাভাৰতৰ* বিভিন্ন পদ ভাঙনিত কবি গৰাকীৰ আত্মপৰিচয় পোৱা যায় এনেদৰে—

পিতৃয়ে মাতৃয়ে অনিৰুদ্ধ নাম দিলা।
কবিচন্দ্র নাম গোট দেৱালে বুলিলা

ৰাম সৰস্বতী নাম নৃপতি দিলন্ত।
ভাৰতৰ পদ মোক কৰা বুলিলন্ত।।

বাল্যকালত ৰাম সৰস্বতীয়ে তেওঁৰ জ্যেষ্ঠ ভাতৃ কবিচন্দ্ৰৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। কিন্তু তেওঁৰ নিজ গুৰু যে মুকুন্দদেৱ সেই কথা পৰম শ্ৰদ্ধা আৰু ভক্তিৰে উল্লেখ কৰিছে এইদৰে—

প্ৰণামো মুকুন্দদেৱ মোৰ নিজ গুৰু।

কবি জীৱনৰ প্ৰথম ভাগত ৰাম সৰস্বতীয়ে কোচৰজা নৰনাৰায়াণৰ পৃষ্ঠপোষকতাত অধিকাংশ মহাভাৰতৰ পদ ৰচনা কৰিছে। ব্যাসদেৱৰ মূল *মহাভাৰতৰ* সম্পূৰ্ণ অনুবাদ কবিজনাই কৰা নাই যদিও অধিকাংশ পদানুৱাদ কৰিছে। এই ক্ষেত্ৰত তেওঁক গোপীনাথ পাঠক, বিদ্যা পঞ্চানন, কংসাৰি কবি আদি কবিসকলে সহায় কৰিছে।

প্ৰাচীন অসমীয়া কবিসকলৰ ভিতৰত সকলোতকৈ সৰহসংখ্যক পদ ৰচনা কৰি গৈছে ৰাম সৰস্বতীয়ে। তেওঁ ৰচনা কৰা পদৰ সংখ্যা মহাপুৰুষ শংকৰদেৱতকৈও অধিক। ৰচনাৰ ব্যাপকতা আৰু বৰ্ণনীয় কথাবস্তুলৈ লক্ষ্য ৰাখি ৰাম সৰস্বতীক 'অসমীয়া ব্যাস' আখ্যা দিয়া হৈছে।

ৰাম সৰস্বতীৰ সমগ্ৰ ৰচনাৱলীক আলোচনাৰ সুবিধাৰ্থে চাৰিটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি। সেইসমূহ হ'ল—

- ***মহাভাৰতৰ* অনুবাদ ঃ** *আদি পৰ্ব, সভাপৰ্ব* (কিছু অংশ), *বনপৰ্ব, বিৰাট পৰ্ব* (কীচক বধ পৰ্যন্ত), *উদ্যোগ পৰ্ব, ভীষ্ম পৰ্ব* (অধিকাংশ), *দ্রোণ পৰ্ব* (গোপীনাথ পাঠকৰ সহযোগত) আৰু *কৰ্ণপৰ্ব* (বিদ্যা পঞ্চাননৰ সহযোগত)।
- **বধকাব্য ঃ** *পুষ্পহৰণ পৰ্ব, মণিচন্দ্ৰ ঘোষ, বিজয় পৰ্ব, যজ্ঞপৰ্ব, কুলাচল বধ, বঘাসুৰ বধ, কাল কুঞ্জ শোষক বধ, ভীম চৰিত, কুলাচল বধ, বাঘসুৰ বধ, জঁটাসুৰ বধ, জঙঘাসুৰ বধ, খটাসুৰ বধ, সিন্ধুৰা পৰ্ব, অশ্বকৰ্ণ যুদ্ধ* আদি।
- ***মহাভাৰতৰ* বাহিৰে অন্য কাব্যৰ অনুবাদ ঃ** *গীত গোৱিন্দ* (জয়দেৱৰ *গীত গোৱিন্দ* কাব্যৰ কথাবস্তুৰ লগত *ভাগৱত পুৰাণৰ* বিষয়বস্তুৰ সংমিশ্ৰণ)।
- ***মহাভাৰতৰ* কথাবস্তুৰ লগত সম্পৰ্কযুক্ত সুকীয়া কাব্য ঃ** *পাঞ্চালী বিৰাহ, তীৰ্থযাত্ৰা, ব্যঞ্জন পৰ্ব, ব্যাসাশ্ৰম, সৱিত্ৰী উপাখ্যান* আৰু *স্ত্ৰীপৰ্ব*।

মহাভাৰতৰ দৰে এখন সাগৰ সংকাশ পুথি সফলতাৰে অনুবাদ কৰাটো সামান্য পৰিশ্ৰম, পাণ্ডিত্য আৰু কবিত্বৰ পৰিচায়ক নহয়। তাতোকৈ ডাঙৰ কথা হৈছে জনসমাজৰ উপযোগী কৰি ৰচনা কৰা কাৰ্যটো। ৰাম সৰস্বতীৰ অনুবাদত জটিল তত্ত্ব-বিচাৰ নাই, নীৰস ধৰ্মমতৰ অযথা ব্যাখ্যা নাই, ধৰ্মমত ঠাই বিশেষে আছে যদিও সেয়া সৰল আৰু চমুকৈ দাঙি ধৰা হৈছে। আনহাতে যিকোনো বৰ্ণনা ঘৰুৱা পৰিৱেশৰ লগত খাপ খুৱাই জনগণৰ অন্তৰস্পৰ্শী কৰি তোলা হৈছে। অৱশ্যে য'তে সুবিধা আৰু সুৰুঙা পাইছে তাতেই শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্ব আৰু ভক্তিৰ মহিমা প্ৰকাশ কৰিছে।

ৰাম সৰস্বতীৰ আন একশ্ৰেণী ৰচনা হৈছে বধকাব্য। *মহাভাৰতৰ* বনপৰ্বৰ অসুৰ বধৰ কাহিনীক অৱলম্বন কৰি ৰচিত এনে কাব্যৰ সংখ্যা হৈছে ১৫ খন। এই কাব্যসমূহ *মহাভাৰতৰ* বনপৰ্বৰ অন্তৰ্গত কাহিনীক লৈ ৰচিত বুলি কবিয়ে কৈছে। কিন্তু কাব্যসমূহৰ কাহিনীসমূহৰ *মহাভাৰতৰ*

লগত বিশেষ সম্পৰ্ক নাই। পাণ্ডৱসকলে বনবাসৰ সময়ত বনে বনে ঘূৰি ফুৰোঁতে অশেষ বিপদ আৰু বাধা-বিঘিনিৰ সন্মুখীন হ'ব লগা হৈছিল। বিশেষকৈ অৰণ্যৰ মাজত দৈত্য, দানৱ আৰু অসুৰৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। পাণ্ডৱসকলে শ্ৰীকৃষ্ণৰ সহায়ত এই দৈত্য-দানৱক কেনেদৰে বধ কৰিছিল তাৰেই কাহিনী বধকাব্যসমূহত পোৱা যায়। এই বধকাব্যই আজি-কালিৰ গল্প-উপন্যাসৰ দৰে সেই সময়ত অসমীয়া মানুহক মনোৰঞ্জন প্ৰদান কৰিছিল। এক কথাত ক'ব পাৰি এই শ্ৰেণীৰ কাব্যত কবিৰ কল্পনাৰ প্ৰাচুৰ্য্যহে দেখা যায়। বধকাব্যবোৰ সকলো ধৰ্মৰে মজ্জাগত ভাবৰ প্ৰকাশ বুলিব পাৰি। পাপক পৰাভূত কৰি ধৰ্ম ৰাজ্য সংস্থাপন কৰাই বধকাব্যবোৰৰ উদ্দেশ্য। কৃষ্ণৰ মহিমা প্ৰকাশ, ভক্তৰ গৌৰৱ ঘোষণা, দুষ্টক দমন, সন্তক পালন আদি আদৰ্শবোৰ বধকাব্যত পোৱা যায়। প্ৰত্যেকখনি কাব্যতে অত্যাচাৰী অসুৰৰ হাতত ভক্তৰ জীৱন কেনেভাৱে বিপন্ন হৈছিল, ভগৱানত বিশ্বাস থাকিলে কেনেদৰে ভক্তক বিপদৰ পৰা ৰক্ষা কৰে, সেইবোৰ বধকাব্যত বৰ্ণনা কৰিছে—

হৰি ৰক্ষা কৰি ফুৰে সৰ্ব বিপদত।
ধেঁনু ৰাখি ফুৰে যেন বৎসক স্নেহত।।

বধকাব্যবোৰ এক প্ৰকাৰ ৰূপক কাব্য। এই প্ৰসঙ্গতে বাণীকান্ত কাকতিয়ে কৈছে— "অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰেদি পাতালী গঙ্গাৰ দৰে দাস্য আৰু বাৎসল্য ৰসৰ মূল ভাব বৈ আছে। বধকাব্যবোৰ সকলো ধৰ্মৰে অন্তৰ্নিহিত আন এটি মজ্জাগত ভাবৰ প্ৰকাশ। সেইটো হৈছে জগতত সাম্যভাব প্ৰৱৰ্তনৰ চেষ্টা আৰু ঐকান্তিক ভক্তিৰ বিজয় ঘোষণা। প্ৰৱল শত্ৰুৰ দ্বাৰা লাঞ্ছিত ৰাজ্যৰ পৰা বিতাৰিত নিঃসহায়, বন্ধুহীন পাণ্ডৱ পুত্ৰসকলে যে বাৰ বছৰ অগম্য বনৰ মাজত সকলো দুখ-দুৰ্গতিৰ মহৌষধি স্বৰূপ হৰিনাম হৃদয়ত ধাৰণ কৰি সকলো সঙ্কটৰ পৰা নিস্তাৰ পাব, তাক বিভিন্ন আখ্যানত দেখুওৱা হৈছে।"

ৰাম সৰস্বতীয়ে *গীত গোৱিন্দ* নামৰ এখন পুথি ৰচনা কৰিছে।বংগদেশৰ কবি জয়দেৱৰ *গীত গোৱিন্দ* কাব্যৰ কাহিনীৰ লগত *ভাগৱত পুৰাণ*ৰ বিষয়বস্তু সংমিশ্ৰিত কৰি আমাৰ কবিয়ে পুথিখন প্ৰণয়ন কৰিছে। কোচ ৰজা ধৰ্ম নাৰায়ণৰ পৃষ্ঠপোষকতাত অনুবাদ কৰা কাব্যখনত পয়াৰ আৰু ত্ৰিপদী ছন্দ ব্যৱহাৰ কৰাত গীতিমুধৰ হৈছে। কাব্যৰসিক ৰাম সৰস্বতীয়ে *মহাভাৰতৰ* সৈতে সম্বন্ধযুক্ত কাহিনীৰে কেইবাখনো কাব্য ৰচনা কৰিছে; যিবোৰ বধকাব্যসমূহৰ দৰেই ঐশ্বৰ্য্যশালী। সেইকেইখন হ'ল— *পাঞ্চালী বিবাহ, তীৰ্থযাত্ৰা, ব্যঞ্জন পৰ্ব, ব্যাসাশ্ৰম, সাবিত্ৰী উপাখ্যান* আৰু *স্ত্ৰীপৰ্ব*। ইয়াৰে *পাঞ্চালী বিবাহ* কাব্যখনত *মাৰ্কণ্ডেয় পুৰাণ*ৰ কাহিনী সংযুক্ত হৈ আছে। কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাটোয়ে কাব্য-কেইখনৰ মূল লক্ষ্য বুলিব পাৰি।



চিন্তা-চৰ্চা কৰক— ১১.১

মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* আৰু মনোৰঞ্জন শাস্ত্ৰীৰ *ৰাম সৰস্বতীক* সমল হিচাপে লৈ ৰাম সৰস্বতীৰ জন্মস্থান সম্পৰ্কে থকা মতভেদৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

.....

.....

.....

.....

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ৰাম সৰস্বতীৰ সমগ্র ৰচনাৱলীক আলোচনাৰ সুবিধার্থে কেইটা আৰু কি কি ভাগত ভাগ কৰা হয়?

.....

.....

প্রশ্ন নং ৪ ঃ খালি ঠাই পূৰণ কৰক—

(ক) ৰাম সৰস্বতীয়ে ৰচনা কৰা দৈত্য-দানৱ বধৰ কাহিনীসমূহকহে ..... বুলি অভিহিত কৰা হয়।

১১.৫ ভট্টদেৱ (অসমীয়া গদ্যৰ উদ্ভৱ)

মহাপুৰুষৰ অব্যৱহিত কালৰ প্রভাৱশালী কবিসকলৰ ভিতৰত ভট্টদেৱ অন্যতম। এওঁৰ পিতৃৰ নাম কবি সৰস্বতী। ভট্টদেৱৰ পিতৃ প্রদত্ত নাম বৈকুণ্ঠনাথ। 'ভট্টদেৱ'কে প্রমুখ্য কৰি 'কবিৰত্ন' তথা 'ভাগৱত ভট্টাচার্য' তেওঁৰ উপাধি মাত্র। ঘৰ বৰপেটাৰ বৰনগৰ অঞ্চলৰ ভেৰা গাঁৱত। পিতৃ কবি সৰস্বতী আৰু মাতৃ তাৰা দেৱীৰ দুই পুত্র ক্রমে — জয় সৰস্বতী আৰু বৈকুণ্ঠনাথ। বৈকুণ্ঠনাথৰ জন্মৰ চন-তাৰিখ বিস্মৃতিৰ গর্ভত যদিও *কথা-গীতা*ৰ পাতনিত হেমচন্দ্র গোস্বামীয়ে উল্লেখ কৰা মতে ভট্টদেৱৰ জন্ম ১৫৫৮ খ্রীষ্টাব্দত। আনহাতে ১৬৩৮ খ্রীষ্টাব্দত ভট্টদেৱে নিজ হাতে গঢ়া ব্যাসকুছি সত্রতে শেষ নিশ্বাস ত্যাগ কৰে বুলি গোস্বামীদেৱে উল্লেখ কৰিছে। বর্তমানে গোস্বামীদেৱে উল্লেখ কৰা উক্ত চন দুটাকে ভট্টদেৱৰ জন্ম-মৃত্যুৰ চন হিচাপে মানি অহা হৈছে।

বৈকুণ্ঠনাথ সৰু কালৰে পৰা বিদ্যা-বুদ্ধিত প্রতিভাধৰ আছিল। ৰীতিসিদ্ধ শিক্ষা গ্রহণৰ অন্তত পণ্ডিত প্রৱৰ ব্যক্তিজনে প্রথমে গোপালদেৱৰ ওচৰত শৰণ লয়। তাতেই তেওঁ ব্যাকৰণ, কাব্য, স্মৃতি, *ভাগৱতকে* আদি কৰি দর্শন শাস্ত্রৰ জ্ঞান অর্জন কৰে। তেওঁ এফালে যেনেকৈ এজন শাস্ত্রজ্ঞ পণ্ডিত আছিল তেনেকৈ শাস্ত্রবাখ্যাকাৰীও (বিশেষকৈ *ভাগৱতৰ* সুবাখ্যাকাৰী) আছিল। যি ভাগৱতৰ সুবাখ্যাৰ বাবে শ্রোতামণ্ডলীৰ পৰা লাভ কৰিছিল 'ভাগৱত ভট্টাচার্য'ৰ দৰে উপাধি।

কেৱল সেয়ে নহয় ৰামৰায়ৰ *সপ্তযশামৃত* মতে বৰনগৰীয়া মোড়লসকলক *ভাগৱতৰ* বাখ্যাৰে মোহিত কৰাৰ বাবে তেওঁলোকে ভট্টদেৱক 'কবিৰত্ন' উপাধিও প্রদান কৰিছিল। পৰৱৰ্তী সময়ত পো�ৰাভিটী বৰপেটা সত্রৰ মথুৰাদাস বুঢ়া আতাৰ আহ্বান মর্মে *ভাগৱত* বাখ্যাৰ বাবে তাতে কিছুদিন থকাৰ পিছত পিতৃৰ আজ্ঞা পালন কৰি তাৰ পৰাই পাটবাউসীলৈ গৈ দামোদৰদেৱৰ ওচৰত দ্বিতীয়বাৰৰ বাবে শৰণ লয়।

সেই সময়তে কামৰূপাধিপতি পৰীক্ষিত নাৰায়ণৰ ৰোষত পৰে দামোদৰদেৱ, দেশান্তৰ হ'বলগীয়া হয়। যোৱাৰ সময়ত দামোদৰদেৱে শিষ্য ভট্টদেৱক বিভিন্ন দিহা পৰামর্শৰ লগতে *ভাগৱতখনো* কথাবন্ধে ৰচিবলৈ নির্দেশ দিয়ে। সেই সময়তে পূর্বতে হাত দিয়া কথাবন্ধত ৰচনা কৰা *ভাগৱতৰ* প্রথমটি স্কন্ধ দামোদৰদেৱৰ হাতত ভট্টদেৱে অর্পণ কৰে। কিন্তু তাৰ আকাৰ বৃহৎ হোৱাত চমুৱাই ৰচনা কৰিবলৈ নির্দেশ দি দামোদৰদেৱে কোচবিহাৰলৈ গমন কৰিলে।

নীলকণ্ঠ দাসৰ চৰিত মতে এইদৰে কিছুদিন থকাৰ পিছত পাটবাউসী সত্রৰ অধিকাৰ পদৰ বাবে ভট্টদেৱৰ সৈতে ভতিজা শ্রীকৃষ্ণৰ মতান্তৰ হোৱাত দামোদৰদেৱে দুয়োজনকে 'সন্দেশ' খুজি বার্তা প্রেৰণ কৰে। শ্রীকৃষ্ণই 'চিৰালাড়ু' আৰু ভট্টদেৱে *ভাগৱতৰ* সাতস্কন্ধ গদ্যত ভাঙনি কৰি দামোদৰদেৱত অর্পণ কৰে। দামোদৰদেৱে শ্রীকৃষ্ণৰ 'চিৰালাড়ু'ক প্রত্যাখান কৰি 'সন্দেশ'স্বৰূপ ভট্টদেৱৰ *ভাগৱতখন* সাদৰে গ্রহণ কৰি ভট্টদেৱক পাটবাউসীৰ অধিকাৰ পাতি ভকতৰ হাতত তুলসীৰ মালা দি পঠিয়ালে। লগতে কৈ পঠিয়ালে যাতে *ভাগৱতৰ* বাকী থকা পাঁচ স্কন্ধও যেন অনুবাদ কৰে। আৰু এদিন বাকী থকা অংশ পূৰ কৰি লগত চাৰিজন ভকতৰ সহিতে দামোদৰদেৱৰ সমুখত উপস্থিত হয়। দামোদৰদেৱ সমন্বিতে সকলো ভকতে *ভাগৱতৰ* এই পাঁচ স্কন্ধ শুনি প্রশংসা কৰিলে।

কেৱল *ভাগৱতেই* নহয়, কবিৰত্নই পাটবাউসীত ধর্ম প্রৱর্তাই থকা কালত *শ্রীভগৱদ-গীতাখনো* কথাত লিখি ভকতৰ হাতে দামোদৰদেৱলৈ পঠিয়াই দিলে। দামোদৰদেৱে হৰি মিশ্র নামে এজনক পঠাই সোণ-ৰূপৰ অলংকাৰ, সোণৰ নৱগুণ, হাৰমালা, কুণ্ডল, বাজু, আঙুঠি, মুকুট আদি পঠিয়াই দি কবিৰত্নক ভট্টাচার্য নাম দিলে। তেতিয়াৰ পৰাই কবিৰত্ন ভট্টাচার্যদেৱ বা ভট্টদেৱ নামেৰে আখ্যায়িত হ'ল। এইদৰে পাটবাউসী সত্রতে জীৱনৰ অধিক কাল ধর্ম প্রৱর্তাই থকাৰ পাছত দামোদৰদেৱৰে শিষ্য পাটোৱাৰী নামৰ এজন ভকতৰ উপদ্রৱ সহ্য কৰিব নোৱাৰি সেই ঠাই ত্যাগ কৰি ব্যাসকুছিত সত্র পাতি তাতে ৰয়গৈ; আৰু তাতেই তেওঁ বৈকুণ্ঠী হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভট্টদেৱৰ সম্পূর্ণ নাম কি?

.....

প্রশ্ন নং ৬ ঃ দামোদৰদেৱে 'সন্দেশ' খুজি বার্তা প্রেৰণ কৰাত ভট্টদেৱে কি দি পঠিয়াইছিল?

.....

সম্পূর্ণ বৈষ্ণৱ ভাবাদর্শেৰে উদ্বুদ্ধ কথাশিল্পী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ সাহিত্যিক কর্মৰাজিৰ এক দীঘলীয়া পৰিসংখ্যা আছে। তেওঁৰ সাহিত্যিক জীৱন পৰিক্রমাত *ভাগৱত-কথা, গীতা-কথা* আৰু *ৰত্নাৱলী-কথা* শ্রেষ্ঠ যদিও এইজনা সাহিত্যিক আন কেইবাখনো গ্রন্থৰ ৰচক। *ভক্তিসাৰ* আৰু *নন্দোৎসৱৰ* দৰে দুই-এখন গ্রন্থ তেওঁৰ হয় নে নহয় কিছু পৰিমাণে বিচার্যৰ বিষয় যদিও *শ্রীমদ্ভাক্তিবিবেক, বিষ্ণু-সহস্র নাম, প্রসঙ্গ-মালা* বা *প্রসঙ্গ-প্রণালী, গুৰু-বংশাৱলী, শৰণ-মালিকা* এই কেইখন তেওঁৰ ৰচনা বুলি ভবাৰ সামান্য হ'লেও থল আছে। একেদৰে *ভাগৱতাধিকৰণখনো* তেওঁৰ হয় নে নহয় সন্দেহৰ আৱর্তত। উল্লেখযোগ্য যে তেওঁৰ ৰচনাৰ স্পষ্ট নিদর্শন তথা প্রমাণিক গ্রন্থ তিনিখনৰ (*ভাগৱত-কথা, গীতা-কথা* আৰু *ৰত্নাৱলী-কথা*) ৰচনা শৈলীতকৈ কিন্তু পিছৰ কেইখনৰ ৰচনা শৈলী যথেষ্ট দুর্বল। ইয়াৰ বাহিৰেও নীলকণ্ঠ দাসৰ চৰিতৰ আউনীআটি সত্রৰ পুথিৰ অন্তত 'দ্বিজ-ভট্টদেৱ'ৰ ভনিতাৰে এটি গুৰু-ভটিমা পোৱা গৈছে। এই ভটিমাটি মাধৱদেৱৰ গুৰু ভটিমাৰ সমপর্যায়ৰ।

ভট্টদেৱে সাহিত্যিক জীৱনৰ পাতনি মেলে *ভাগৱত-কথা*ৰ জৰিয়তে। দামোদৰদেৱৰ আজ্ঞা শিৰত লৈ ৰচনা কৰা গ্রন্থখনিত সততে 'কবিৰত্ন' নামটিকে ব্যৱহাৰ কৰা দেখা যায়। ৰচনাৰ সময় আনুমানিক ১৫৯৪-৯৬ খ্রীষ্টাব্দ। কামৰূপৰ সেই সময়ৰ ৰজা পৰীক্ষিতৰ নির্দেশত ভট্টদেৱৰ গুৰু দামোদৰদেৱে কামৰূপ ত্যাগ কৰি কোচবিহাৰলৈ যোৱাৰ দুবছৰ মানৰ ভিতৰতে ভট্টদেৱে গ্রন্থখনৰ ৰচনাৰ কাম সম্পূর্ণ কৰে। পৰীক্ষিত ৰজা হয় ১৫৯৩ খ্রীঃত। গতিকে তাৰ দুই বছৰ মানৰ ভিতৰত ৰচিত হ'লে ১৫৯৪-৯৬ খ্রীঃ মানেই হ'ব বুলি অনুমান কৰিব পাৰি।

*ভাগৱত-কথা*ৰ দৰে *গীতা-কথা*তো কবিৰত্ন নামটিকে ব্যৱহাৰ কৰিলেও দামোদৰদেৱৰ নাম এবাৰ নে দুবাৰ হে লৈছে। তালৈ চাই এইখনৰ ৰচনাৰ আজ্ঞা দামোদৰদেৱে প্রদান কৰা নাছিল বুলি ধাৰণা কৰা হয়। এইখন *ভাগৱত-কথা*ৰ দুবছৰ মান পিছত ৰচনা বুলি ধৰিলে ইয়াৰ ৰচনা কাল আনুমানিক ১৫৯৭-১৫৯৮ খ্রীঃ বুলি ধৰিব পাৰি। *কথা-গীতা*ৰ (*গীতা-কথা*) দৰে *শ্রীমদ্ভাক্তিবিবেক*খনতো দামোদৰদেৱৰ আজ্ঞা পোৱাৰ কথা উল্লেখ নাই। দামোদৰদেৱে ভট্টদেৱক *ভাগৱত-কথা* ৰচনা কৰা সময়ত আজ্ঞা দি কৈছিল— "পূর্বত মহাপুৰুষে (শংকৰদেৱ) দহ স্কন্ধ *ভাগৱত*ৰ পৰা কীর্তন, ভটিমা আদি ৰূপত সুছন্দ ছবি, দুলড়ি আদিত কবিতা কৰিছে; এতিয়া তুমি সেই ৰচনাতকৈও বেছি ধৰণে সকলোৱে বুজাকৈ এখন কথাবন্ধ কৰা।" এই আদেশ মর্মে শংকৰদেৱৰ ৰচনাৰ আদর্শ বা ধর্মমত দাঙি ধৰাত কৈ নব্য ৰচনা-শৈলী আৰম্ভ কৰিবলৈ কোৱাটোহে নিশ্চয়কৈ অধিক তাৎপর্যপূর্ণ। শকৰ ভিতৰত বুলি মত প্রকাশ কৰিছে আৰু বর্তমানে সেয়াই গ্রহণ কৰা হৈছে। *গীতা-কথা* বা *কথা-গীতা*ৰ প্রাচীনত্বৰ বিষয়ে আচার্য প্রফুল্ল ৰায়ে কৈছে—

> Indeed the *Prose-Gita* of Bhattadeva composed in the sixteenth century is unique of its kind... ... It is a priceless treasure. Assamese prose literature developed to a stage in the far distant sixteenth century which no other literature of the world reached except writings of Hooker and Latimer in England.

ভট্টদেৱৰ লেখাতে অসমীয়া গদ্যই ব্যাকৰণসংগত এটি সুনির্দিষ্ট ৰূপ গ্ৰহণ কৰে। যুক্তিযুক্তভাৱে বিষয়ৰ ব্যাখ্যা কৰাটোৱেই ভট্টদেৱৰ উদ্দেশ্য আছিল। অসমীয়া গদ্যক গধুৰ ভাব প্ৰকাশৰ বাহনৰূপে প্ৰয়োগ কৰি ভট্টদেৱে অসমীয়া ভাষাক যি মৰ্যাদা দান কৰিলে তাৰ কাৰণে অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁৰ বিশেষ স্থান সদায়ে থাকিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) অসমীয়া গদ্যৰ জনক হিচাপে অভিহিত কৰা হয় মাধৱদেৱক ।

(খ) ভট্টদেৱৰ লেখাতে অসমীয়া গদ্যই ব্যাকৰণসংগত এটি সুনির্দিষ্ট ৰূপ গ্ৰহণ কৰে।

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনন্ত কন্দলি, ৰাম সৰস্বতী আছিল বৈষ্ণৱ কবি। এওঁলোকৰ উপাস্য দেৱতা আছিল শ্ৰীকৃষ্ণ। সেইবাবে এওঁলোকৰ সাহিত্যৰাজিত শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্ব তথা ভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে। অনন্ত কন্দলিৰ মৌলিকত্ব আৰু পাণ্ডিত্য ফুটি উঠা তেওঁৰ দ্বাৰা সৃষ্ট অনুবাদ কৃতিসমূহৰ পৰিচয় লাভে শঙ্কৰী যুগৰ এগৰাকী সফল অনুবাদক হিচাপে তেওঁক মূল্যায়ন কৰা পথ সূচল হৈছে। আনহাতে মধ্যযুগীয় অসমীয়া সাহিত্যত *বধ কাব্যৰ* অন্যতম শ্ৰেষ্ঠ ৰচনাকাৰ ৰাম সৰস্বতীৰ সৃষ্টিৰাজিৰ লগত পৰিচয়ে আমাক তেওঁৰ সৃষ্টিসমূহ মূল্যায়ন কৰাত সহায় কৰিছে।
- অসমীয়া গদ্যৰ প্ৰাচীন নিদৰ্শন অংকীয়া নাট আৰু মন্ত্ৰপুথিত পোৱা গৈছে, যদিও অসমীয়া গদ্যক পোনপটীয়া আৰু প্ৰধানকৈ সাহিত্য ৰচনাত ব্যৱহাৰ কৰে শংকৰী যুগৰ কবি ভট্টদেৱেহে। এক অৰ্থত ক'ব পাৰি ভট্টদেৱৰ হাততেই প্ৰকৃত অসমীয়া গদ্যৰ সৃষ্টি হয়। অধ্যায়টিত ভট্টদেৱৰ জীৱন আৰু কৃতি সম্পৰ্কে কিছু কথা আলোচনা কৰা হ'ল।



১১.৭ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অনন্ত কন্দলিৰ ভণিতা থকা দুখন ধৰ্মতত্ত্ব পুথি হ'ল— *ভক্তি-সাধন* বা *বৈষ্ণৱামৃত* আৰু *জন্মৰহস্য* বা *জীৱদুতি*।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ৫ খন খ) অসমীয়া ব্যাস

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাম সৰস্বতীৰ সমগ্ৰ ৰচনাৱলীক আলোচনাৰ সুবিধাৰ্থে চাৰিটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি। সেইসমূহ হ'ল—*মহাভাৰতৰ* অনুবাদ, বধকাব্য *মহাভাৰতৰ* বাহিৰে অন্য কাব্যৰ অনুবাদ আৰু *মহাভাৰতৰ* কথাবস্তুৰ লগত সম্পৰ্কযুক্ত সুকীয়া কাব্য।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বধকাব্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱে *ভাগৱতৰ* সাতখণ্ড গদ্যত ভাঙনি কৰি দামোদৰদেৱক অৰ্পণ কৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ

১১.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰাম সৰস্বতীয়ে কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

প্ৰশ্ন ২ ঃ কাৰ হাতত অসমীয়া গদ্য সাহিত্যৰ প্ৰকৃত অৰ্থত শুভাৰম্ভ ঘটে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

(ক) ৰাম সৰস্বতী (খ) অনন্ত কন্দলি

প্ৰশ্ন ২ ঃ ভট্টদেৱৰ গদ্য শৈলী কেনে আছিল চমুকৈ লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'বধকাব্য'ৰ বিষয়ে এটি আলোচনা লিখক।

প্ৰশ্ন ২ ঃ অনন্ত কন্দলিৰ জীৱন আৰু কৃতি সম্পৰ্কে এটি নিবন্ধ লিখি উলিয়াওক।

প্ৰশ্ন ৩ ঃ ভট্টদেৱৰ সাহিত্যকৃতি সম্পৰ্কে এটি আলচ যুগুত কৰক।

*** ***** ***